Total number of printed pages = 4

**(SEM-5) DSE1/ASMHE5026**

**2024**

**ASSAMESE**

Paper : ASMHE5026

***(Introduction to Assamese Romantic and Modern Poetry)***

*Full Marks : 80*

*Pass Marks : 32*

Time : 3 hours

***The figures in the margin indicate full marks for the questions.***

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা (যিকোনো ছয়টাৰ) ঃ 1×6=6

ক) কবিতাৰ এটি প্ৰধান উপাদান কি?

*(i)* ছন্দ *(ii)* উপমা

*(iii)* কল্পনা *(iv)* শব্দ

খ) 'বীণ ব'ৰাগী' কবিতাটিৰ কবিগৰাকী কোন?

*(i)* ৰঘুনাথ চৌধাৰী *(ii)* যতীন্দ্ৰনাথ দুৱৰা

*(iii)* চন্দ্ৰকুমাৰ আগৰৱালা *(iv)* লক্ষ্মীনাথ বেজবৰুৱা

গ) 'কবিতা জীৱন ভাষ্য' – এই সংজ্ঞাটো কাৰ?

*(i)* মেথিউ আৰ্নল্ড *(ii)* কলেৰিজ

*(iii)* চেক্সপীয়েৰ *(iv)* মিল্টন

ঘ) তলৰ কোনখন কবিতা পুথি নীলমণি ফুকনে ৰচনা কৰিছিল?

(i) কাৰবালা (ii) আপোনসুৰ

(iii) ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত (iv) প্ৰতিমা

ঙ) 'কেতেকী' কাব্যত কেইটা তৰঙ্গ আছে?

(i) দুটা (ii) তিনিটা

(iii) চাৰিটা (iv) পাঁচটা

চ) 'বাঁহী' আলোচনীখন কেতিয়া প্ৰকাশ হৈছিল?

(i) ১৯১০ চনত (ii) ১৯০৯ চনত

(iii) ১৮৮৯ চনত (iv) ১৮৪৬ চনত

ছ) 'কলঙ কপিলী দিজুৰ পাৰত ককাদেউতাৰ হাড়'—এই পংক্তিটো কোন কবিতাৰ অন্তৰ্গত?

(i) অতীতক নাযাবা পাহৰি (ii) পলস

(iii) পথাৰ (iv) কেতেকী

জ) তলৰ কোনজন কবিক 'প্ৰতিমাৰ খনিকৰ' বুলি জনা যায়?

(i) দেৱকান্ত বৰুৱা (ii) নলিনীহাসা দেৱী

(iii) নৱকান্ত বৰুৱা (iv) চন্দ্ৰকুমাৰ আগৰৱালা

ঝ) 'যুদ্ধভূমিৰ কবি কোন?

(i) ৰাম গগৈ (ii) সমীৰ তাঁতি

(iii) হেম বৰুৱা (iv) প্ৰসন্নলাল চৌধুৰী

ঞ) কোনখন কাব্যৰ বাবে নলিনীৰলালা দেৱীয়ে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

(i) সুদীৰ্ঘ দিন আৰু ৰাতি (ii) যুগদেৱতা

(iii) অলকানন্দা (iv) মোৰদেশ

২। চমুকৈ উত্তৰ দিয়া *(যিকোনো পাঁচটাৰ)* ঃ 2×5=10

ক) ৰোমান্টিক কবিতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।



খ) বনফুলৰ কবি কোন? তেওঁ ৰচিত এখন কবিতা পুথিৰ নাম উল্লেখ কৰা।

গ) দ্ৰৌপদী কোন? পঞ্চ পাণ্ডৱৰ বাহিৰেও তেওঁৰ মন কোনজন ব্যক্তিৰ প্ৰতি আকৰ্ষিত হৈছিল?

ঘ) 'সুগন্ধি পখিলাৰ' কবি বুলি কাক জনা যায়? তেওঁ ৰচিত এখন কাব্যপুথিৰ নাম লিখা।

ঙ) আধুনিক কবিতাৰ দুটা লক্ষণ উল্লেখ কৰা।

চ) নিৰ্মলপ্ৰভা বৰদলৈৰ পিতৃৰ নাম কি? তেওঁ কোনখন কাব্যৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

ছ) 'মমতাৰ চিঠি' কবিতাটিত কোন বিদেশী কবিৰ কবিতাৰ প্ৰভাৱ পৰিছে? কবিতাটিত উল্লেখ থকা 'বাবুল' কোন?

৩। তলৰ যিকোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা ঃ 5×6=30

ক) 'সাপ' কবিতাটিৰ কবি কোন? 'সাপ' কবিতাটিৰ জৰিয়তে কবিয়ে কি ক'ব বিচাৰিছে চমুকৈ লিখা।

খ) অতিন্দ্ৰীয়বাদ কবিতা সম্পৰ্কে এটি চমুটোকা লিখা।

গ) 'পথাৰ' কবিতাটিত কবি ৰাম গগৈয়ে পথাৰখনক কিয় নমস্কাৰ জনাইছে চমুকৈ লিখা।

ঘ) 'দ্ৰৌপদী' কবিতাত নাৰীৰ মানসিকতা কেনেভাৱে প্ৰকাশ পাইছে বিচাৰ কৰা।

ঙ) 'জীৱন নাটৰ ভাও কতনো কৰিলো শেষ'—কবিয়ে 'জীৱন নাটৰ জৰিয়তে কি ক'বলৈ বিচাৰিছে বুজাই লিখা।

চ) কবি নীলমনি ফুকনৰ কাব্য প্ৰতিভা সম্পৰ্কে চমুকৈ লিখা।

ছ) কবিতাৰ সংজ্ঞা সম্পৰ্কে এটি চমু আলোচনা দাঙি ধৰা।

জ) 'পলস' কবিতাটিত কবি নৱকান্ত বৰুৱাৰ ইতিহাস চেতনা কিদৰে মূৰ্ত হৈ উঠিছে, চমুকৈ লিখা।



Contd.

ঝ) 'দেৱকান্ত বৰুৱাৰ 'অসাৰ্থ' এটা সাৰ্থক কবিতা'– কথাষাৰৰ তাৎপৰ্য বিচাৰ কৰা।

ঞ) 'ওলমি থকা গোলাপী জামুৰ লগ্ন' কবিতাটিৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

৪। তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ 10×2=20

ক) 'বীণ ব'ৰাগী' কবিতাটিৰ জৰিয়তে কবিয়ে নিজৰ জন্মভূমি অতীতৰ দুখ আৰু সুখৰাজিৰ কেনেদৰে বৰ্ণনা কৰিছে, আলোচনা কৰা।

খ) সম্প্ৰতিক কালৰ অসমীয়া কবিতাৰ লক্ষণসমূহ উল্লেখ কৰি 'পলস' কতিবাটিত কেনেদৰে সেই লক্ষণ প্ৰতিফলিত হৈছে, আলোচনা কৰা।

গ) 'এই উচুপনি কান পাতি শুনা' শীৰ্ষক কবিতাৰ আধাৰত কবিৰ মানৱতাবাদী দৃষ্টিভংগী কেনেদৰে প্ৰকাশ পাইছে, এটি আলোচনা যুগুত কৰা।

৫। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা ঃ 14×1=14

ক) 'গড়গাওঁ' কবিতাত অসমৰ ঐতিহাসিক কি কি চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে, বিশ্লেষণ কৰা।

খ) জোনাকী যুগৰ যিকোনো এজন কবিৰ কাব্য প্ৰতিভা সম্পৰ্কে এটি প্ৰৱন্ধ যুগুত কৰা।

গ) কবি ৰঘুনাথ চৌধাৰীয়ে 'কেতেকী' চৰাইজনীয়ে কি সুন্দৰ ঠাই এৰি অহা বুলি কল্পনা কৰিছে আৰু সংসাৰখন কেনেকুৱা বুলি সকীয়াই দিছে, তেওঁৰ কেতেকী' কবিতাৰ আধাৰত আলোচনা কৰা।

ঘ) যতীন্দ্ৰ নাথ দুৱৰাৰ কবিতাত প্ৰেম, সৌন্দৰ্য, নিৰাশা আৰু আশাই কিদৰে স্থান লাভ কৰিছে, তেওঁৰ 'অতীতক নেযাবাঁ পাহৰি, কবিতাৰ আধাৰত বিচাৰ কৰা।

১০

-----